৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

RNI REGN. No. : ASSASS/2019/78693
epaper.asomaditya.com
Portal : www.asomaditya.com
e-mail : asomaditya@gmail.com

# অসম আদিত্য

**স্বাস্থ্য**

যদি আপোনাৰ মুখৰ দুৰ্গন্ধ ওলায় তেনেহ'লে নৰসিংহৰ পাত চোবাওক। ই গোন্ধ দূৰ কৰাৰ লগতে যকৃতৰ সমস্যা দূৰ কৰে। নৰসিংহৰ ৰস সানিলে গাৰ খজুৰতিৰ উপশম পোৱা যায়।

...হাৰ, ১৯৪৮ শক ■ শুকুৰবাৰ, ১৭ জুলাই, ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, July 17, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সংস্কৰণ

...নৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ চৰকাৰৰ

## ...ন্দৰকৈ গঢ়ি তোলা হ'ব মধুপুৰ সত্ৰ, ...াৰেংঘৰ ঃ মুখ্যমন্ত্ৰী



**বিশেষ প্ৰতিবেদক, ১৬ জুলাই ঃ** অসমৰ ধৰ্মীয়, ঐতিহাসিক তথা পৰ্যটন ক্ষেত্ৰসমূহক বিশ্ব দৰবাৰত এক নতুন মাত্ৰা প্ৰদান কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে কেইবাখনো অভিলাষী আঁচনি। বিশেষকৈ ২ পৃষ্ঠাত



ডিব্ৰুগড়ত টাই আহোম যুৱ পৰিষদৰ প্ৰতিষ্ঠা দিৱস

## জাতীয় একতা আৰু আবেগিক সংযোগ অক্ষুণ্ণ ৰখাত সাহিত্য-ভাষাই সহায় কৰে ঃ শশীকান্ত শইকীয়া

**ষ্টাফ ৰিপৰ্টাৰ, ১৬ জুলাই ঃ** 'ভাষা আৰু সাহিত্য হৈছে এটা জাতিৰ প্ৰাথমিক পৰিচয়। সাহিত্যই এটা জাতিক বিশ্ব দৰবাৰত নিজা স্বকীয়তাৰে থিয় হোৱাৰ শক্তি প্ৰদান কৰে। সাহিত্যৰ অবিহনে এটা জাতিৰ ভাষা কেৱল মনৰ ভাব বিনিময়ৰ মাধ্যম হিচাপে থাকি যায়। কিন্তু সাহিত্যৰ স্পৰ্শই তাক এটা সমৃদ্ধ সাংস্কৃতিক পৰিচয় দিয়ে। অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন ৬ পৃষ্ঠাত

